জাতীয় মুছলিম পৰিকল্পনা: আমাৰ গিয়াৰ সলনি কৰা প্ৰয়োজন

ডঃ চইদ জাফৰ মেহমুদ, সভাপতি, জাকাত ফাউন্ডেশ্বন অফ ইন্ডিয়া, নতুন দিল্লী
info@zakatindia.org

পবিত্ৰ কোৰানত (17.70) আল্লায় কৈছে যে প্ৰতিজন মানুহৰ অন্তৰতেই তেওঁ সমান মৰ্য্যাদা প্ৰদান কৰিছে। আন আন ঠাইত (49.13) তেওঁ প্ৰকাশ কৰিছে যে, পাৰস্পৰিক দৰ্শন আৰু আলাপ-আলোচনাৰ সুবিধাৰ বাবে তেওঁ জাতি আৰু উপজাতিৰ মাজত সমান মানবতা বিতৰণ কৰিছে। এইদৰেই স্বতন্ত্ৰ আৰু গোষ্ঠীৰ অস্তিত্ব হিচাবে দুয়োয়েই ঐশ্বৰিক স্বীকৃতি আৰু পৃষ্ঠপোষকতাৰ সঙ্গতি হৈছে। ইয়াৰ উপৰিও অন্যান্য বহুতো বিষয়ৰ এক ডজন মান অধ্যায়ৰ মাজৰ পৰা আমি যৌক্তিকতা, জ্ঞান আৰু আনুগত্যৰ বিষয়ে আল্লাৰ বানি উপলব্ধি কৰিব পাৰো যিটো ব্যক্তিগত আৰু সামাজিক উদ্দেশ্য আৰু সমৃদ্ধি, উভয়ৰ ক্ষেত্ৰতেই অপৰিহাৰ্য চৰ্ত। এইবিলাক কথা কোৰাৰ সময়ত আল্লাৰ এই বাৰ্তা মানৱ জাতিৰ সকলো শ্ৰেণীক লৈ সমগ্ৰ মানৱতাৰ ওপৰত অন্তৰ্ভুক্ত হৈছে। আহক আমি বিচাৰি চাওঁ অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি শ্ৰেণীৰ বিৰুদ্ধে সামাজিক বৈষম্য আঁতৰ কৰিবৰ বাবে কেনেকৈ আটাইতকৈ ভালদৰে আমি এই তিনিটা ঐশ্বৰিক নিৰ্দেশক কামত লগাব পাৰো, আৰু তেওঁলোকক লৈয়েই ঐক্যবদ্ধভাবে ন্যায়বিচাৰ পুনঃস্থাপন কৰিব পাৰো আৰু ভাৰতত মুছলিম আৰু খ্ৰীষ্টান সম্প্ৰদায়ৰ প্ৰতিকূলতাৰ বিৰুদ্ধে ন্যায় বিচাৰ কৰিব পাৰো।

1947-ত স্বাধীনতাৰ পিছৰে পৰা 65 বছৰৰ সাম্প্ৰতিক ভাৰতীয় ইতিহাস দ্ব্যৰ্থহীনভাবে প্ৰমাণ কৰিছে যে মুছলমান সকল অধিক পিছুৱাই থকা সম্প্ৰদায়, আৰু প্ৰগতিৰ প্ৰতিটো ক্ষেত্ৰতেই অন্যান্য ধৰ্মৰ অনুসৰণকাৰীসকলৰ তুলনাত পিছুৱাই আছে। সাচাৰ কমিচন আৰু মিশ্ৰ কমিচনৰ নথিবদ্ধ ৰিপোৰ্ট সদৰি হোৱাৰ পিছৰ পৰাই এই দিশাত বিশেষভাবে দৃষ্টি আকৰ্ষণ হৈছে। এই ৰিপোৰ্টে এই ধৰনৰ পিছুৱাই থকা শ্ৰেণীৰ বাবে তলত উল্লেখ কৰা বিষয়বিলাক ৰাইজৰ সন্মূখত লৈ আহিছে: (1) 1950 চনৰ পৰা অনুসূচিত জাতিক সংজ্ঞায়িত কৰিবৰ বাবে এক কেন্দ্ৰীয় আদেশ বলে সংসদ, ৰাজ্য বিধানসভা, চৰকাৰী কাৰ্য্যালয়ৰ শিক্ষা প্ৰতিষ্ঠানবিলাকত 15% সদস্যপদৰ সুযোগৰ পৰা মুছলিম আৰু খ্ৰীষ্টান সম্প্ৰদায়ক বাহিৰত ৰখা হৈছিল। (2) উক্ত নিৰ্ব্বাচকমণ্ডলীৰ বেছিভাগৰ মাজতেই বোধকৰো মুছলিম জনসংখ্যাই যথেষ্ট, আনকি এইবিলাকৰ মাজত যিসকল অনুসূচিত জাতি (এচচি)-ৰ বাবে সংৰক্ষিত সেইবিলাকৰ ক্ষেত্ৰত বোধহয় সিমান পৰিমাণৰ এচচি নাই, তথাপিও তেওঁলোক এই সুবিধাৰ পৰা বঞ্চিত হৈছে। (3) মুছলিম বিৰোধী মনোভাব জাতীয় ভাবাবেগৰ এটা অংশত বৰকৈ গাঁথি গৈছে। আৰু (4) এটাৰ পিছত এটাকৈ এক

শাসক প্ৰতিষ্ঠান বা চৰকাৰ মুষ্ঠিমেয় কিছুমান মুছলিমক তুলি আনি অপেক্ষাকৃত অলাগতিয়াল কিছুমান চৰকাৰী পদত বহুৱাই চৰকাৰে যথেষ্ট কৰিছে বুলি ভাবি লৈছে, আনফালে প্ৰাতিষ্ঠানিকভাবে বৃহত্তৰ মুছলিম জনগণৰ অধিকাৰ আৰু ন্যায় বিচাৰ পুনঃপ্ৰতিষ্ঠাৰ কোনোধৰনৰ চেষ্টাই কৰা হোৱা নাই।

যোৱা 65 বছৰৰ পৰা ইয়াৰ এটা আনুসঙ্গিক কাৰণ (উপকৰণ) হিচাবে সমগ্ৰ ৰাজনৈতিক দৃশ্যপটত সুপৰিকল্পিত চক্ৰান্তৰ মাধ্যমে মুছলিম সমাজক এক অনিশ্চিত আৰু সন্দেহৰ মেঘৰ মাজত আবৰি ৰখা হৈছে, ইয়াৰ লগতেই তেওঁলোকৰ অস্তিত্ব অনিশ্চিত কৰি তোলা হৈছে। আনফালে, চৰমপন্থী সকলে আৰু প্ৰায় অশিক্ষিত অ-মুছলিম ভোটাৰসকলৰ মাজত ‘হিন্দু পৰিচয়সত্বাৰ ক্ষেত্ৰত মুছলিম আক্ৰমণৰ সম্ভাৱনা’ নামে এক পূৰ্ব্বধাৰণাক (বাস্তৱত যদিও সেইটো বিদ্যমান নহয়) লৈ এটা সন্ত্ৰাসৰ জন্ম দিছে। এই প্ৰক্ৰিয়াৰ অঙ্গ হিচাবেই ভাৰতীয় মুছলিম নাগৰিকসকলক বিদেশী বা সন্ত্ৰাসবাদী বুলি আখ্যা দিয়া এটা ৰাজনৈতিক-আমলাতান্ত্ৰিক ফেশ্বন হৈ উঠিছে। বছৰৰ পিছত বছৰ জুৰি মুছলিম যুৱকসকলক জেলত ভৰাই ৰখা, তথ্যৰ বাবে তেওঁলোকক মুকলি কৰা আৰু তেওঁলোকক নিৰ্দোষ প্ৰতিপন্ন কৰা আৰু এই অবিচাৰ আৰু তেওঁলোকৰ ওপৰত হোৱা চৰম অত্যাচাৰ কৰিও সেইটো পাহৰি যোৱাটো এটা জাতীয় নিয়ম হৈ উঠিছে। স্কুলৰ টেক্সট কিতাপত মুছলিমসকল বেয়াকৈ দেখুৱাটো এটা মহামাৰীৰ অন্তঃস্ৰোতৰ আকাৰ লৈছে। আৰু হাস্যকৰভাবে ভবিষ্যতৰ অ-মুছলিম প্ৰজন্মই এই আধা-সচেতন ঠেক সামাজিক মূল্যবোধৰ মাজতেই বাড়ি উঠিছে।

এইদৰেই মুছলিম সম্প্ৰদায়টো তাৰ জাতীয় পৰিচয় সত্বা, মৰ্যাদা আৰু আভ্যন্তৰীণ সংহতি লৈ এই ধৰনৰ পৰিকল্পিত আৰু বাৰংবাৰ আক্ৰমণৰ মুখামুখি হৈছে, তাৰ লগতেই আপোচ কৰি আৰু তাৰ লগত কৌশল কৰি আগুৱাই যোৱাত এক মস্ত ধৈৰ্যশীলতাৰ পৰিচয় দিছে। এইটোৱেই মুছলিম সচেতনতাক সম্প্ৰদায়ৰ প্ৰগতি আৰু অগ্ৰগতিৰ অভিষ্ট লক্ষ্যৰ পৰা গহীনভাবে আঁতৰ কৰিছে। এই দৰেই কিছুমান শক্তি সাফল্যৰ লগত অবাঞ্ছিতভাবে সোমাই গৈ মুছলিম সম্প্ৰদায়ক এটা ৰক্ষণাত্মক খেল খেলিবলৈ বাধ্য কৰে।

আমি একবিংশ শতকৰ ভাৰতৰ মুছলিম, খ্ৰীষ্টান। আমাৰ কান্ধৰ ওপৰত আছে মস্ত দায়িত্ব। নেতিবাচক প্ৰকল্পক ইতিবাচক প্ৰকল্পৰ সোঁতলৈ ৰূপান্তৰিত কৰিবলৈ আমাৰ প্ৰাতিষ্ঠানিক উদ্যোগ লোৱা প্ৰয়োজন। তাৰ বাবে আমাৰ পৰ্য্যাপ্ত কৌশল স্থিৰ কৰা প্ৰয়োজন। এই 2013 চনতো,

আনকি তথ্যৰ অধিকাৰৰ আইনবলেও 1950-ত অনুসূচিত জাতিৰ ৰাষ্ট্ৰপতিৰ আদেশত কুখ্যাত তৃতীয় অনুচ্ছেদ অৰ্ন্তভুক্তৰ পিছত লুকাই থকা কাৰণবিলাক স্বচ্ছ হৈ যাব পাৰে বুলি এনে ধৰনৰ ফাইল প্ৰকাশ কৰিবলৈ মান্তি নহয় কেন্দ্ৰীয় চৰকাৰ। দ্বিতীয়তে, তেওঁলোকৰ সুদীৰ্ঘ নিষ্ক্ৰিয়তাৰ কাৰণতেই চৰকাৰ সাচাৰ কমিটিক একপ্ৰকাৰ প্ৰত্যাখান কৰিছে, নতুনকৈ ডিলিমিটেচন কমিটি নিয়োগ কৰিছে আৰু তেওঁলোকৰ হতুৰাই বিপুল মুছলিম জনসংখ্যাবহুল নিৰ্ব্বাচনী কেন্দ্ৰ গঠন কৰি সংৰক্ষণৰ বাহিৰত আনি অন্যায্য, বেআইনী আৰু অযৌক্তিক সমস্যাসঙ্কুল জটিল অৱস্থাৰ পৰা মুক্ত কৰিছে আৰু এইদৰেই এচচি বৰশিৰ মুখৰ পৰা মুছলিমসকলক এৰুৱাই আনিছে। তৃতীয়তে, চৰকাৰ এতিয়াও 201 চনত তেওঁলোকৰ মুছলিম বিৰোধী জাননিখন বাতিল কৰা নাই, য'ত উল্লেখ কৰা হৈছিল যে ইণ্ডিয়ান পুলিচ চাৰ্ভিচত এক **সীমিত প্ৰতিযোগিতামূলক পৰীক্ষাৰ** মাধ্যমে 1400 অতিৰিক্ত পদ পূৰণ কৰা হ'ব। এই তালিকা বাঢ়ি গৈ আছে। জাতীয় ৰাজনৈতিক-নিৰ্ব্বাচনী দবাৰ খেল, আমি ভাৰতীয় মুছলিম আৰু খ্ৰীষ্টানসকল যোৱা 65 বছৰ লৈকে নিৰ্ব্বিষভাবে গুটিৰ দৰে অহা-যোৱা কৰি আছো। এক শতাব্দী জুৰি এই ধীৰ প্ৰগতি সংগ্ৰহ কৰি অতিদুৰ্ব্বল এই উদ্যোগক নিশ্চিতভাবেই আমি পৰিহাৰ কৰিব লাগিব। ভাৰতীয় সামাজিক-ৰাজনৈতিক সত্বা হিচাবে আমি শোচনীয়ভাবে ব্যৰ্থ হৈছো আৰু সাংঘাতিকভাবে অমৰ্য্যাদা আৰু অসন্তোষৰ চিকাৰ হৈ পশ্চাদগামী ৰসাতলৰ গভীৰলৈ ডুবি গৈছো। আমাৰ অহা প্ৰজন্মৰ সামাজিক জীৱনৰ বাবে আগতিয়াকৈ কিবা এটা কৰি যোৱাৰ আমাৰ কোনো অধিকাৰেই নাই। সম্প্ৰদায়ৰ কৌশলৰ গিয়াৰ সলনিৰ এইটোয়েই হ'ল সঠিক সময়। জাতীয় দবাৰ ঘৰৰ গুটি হৈ থকাতকৈ আমাৰ যুদ্ধৰ বাবে তৈয়াৰ হোৱাটো প্ৰয়োজন আৰু নিজক ক্ষমতাবান কৰি তোলা প্ৰয়োজন ৰাণীৰ দৰে যিটো বিভিন্ন অভিমুখে বৰ্গাকাৰে অহাযোৱা কৰিব পাৰিব।

1950 চনত আমাৰ সংবিধানে নিশ্চিতভাবেই দেশৰ অ-মুছলিম, অ-খ্ৰীষ্টান পিছুৱাই থকা নাগৰিকসকলৰ বাবে সংৰক্ষণৰ বিধান দিছিল আৰু পিছত জনসংখ্যাৰ 42% -ৰ বাবে 'অন্যান্য পিছুৱাই থকা শ্ৰেণী' হিচাবে বিবেচনা কৰা হৈছিল। নিঃসন্দেহে এইটো জাতীয় জনসংখ্যাৰ এই মূল্যবান অংশক কিছু শিক্ষাগত আৰু অৰ্থনৈতিক উন্নতিৰ সুযোগ কৰি দিছে। যদিও সামাজিক বিন্যাসৰ এই স্তৰত উন্নয়নৰ কোনো চিনেই চকুত নপৰে। এতিয়াও সমাজত সেই একেই ধৰনৰ পুৰনিকলীয়া আটাইতকৈ কম আৰ্কষণীয় স্তৰ হিচাবে ৰৈ গৈছে এচচি আৰু ওবিচি সকল। এতিয়াও তেওঁলোকক মানসিক অত্যাচাৰ সহ্য কৰিবলগীয়া হয় আৰু হতাশ, বঞ্চনা, বৰ্জন আৰু সামাজিক পশ্চাদ্‌গতিৰ যথাৰ্থ মনোবিকৃতিৰ চিকাৰ হ'বলগীয়া হয়। ধাৰাবাহিকভাবেই তেওঁলোক সামাজিক প্ৰেক্ষাপটত একেবাৰেই তলত পৰি আছে। সমাজত উচ্চ আসন লাভ কৰা অ-অনুসূচিত জাতি আৰু আন আন পিছুৱাই থকা শ্ৰেণী নহয় যিসকল সেই সকলৰ নিচিনা সচেতনতা নথকাত

এচচিসি/ওবিচি –ৰ হকে সামান্যতম পৰিস্থিতিও নাই। পৰিৱৰ্তন অনাৰ বাবে কোটি কোটি মানুহে ‘গুড বাই’ ক’ব লাগিব তেওঁলোকৰ হেজাৰ হেজাৰ বছৰৰ পৰা চলি অহা পুৰনিকলীয়া সামাজিক সংস্কাৰক যিটো তেওঁলোকৰ ধৰ্মীয় সাহিত্য আৰু ঐতিহ্যত সোমাই আছে। 1950–ৰ সামগ্ৰিক এচচি-পন্থী সাংবিধানিক আন্তঃগাথনি আৰু পিছৰ পৰিৱৰ্তনেও মানুহৰ মনত প্ৰয়োজনীয় পৰিৱৰ্তন আনিবলৈ ব্যৰ্থ হৈছে। ইয়াৰ বাবে আমাৰ গোটেই সংবিধান আৰু সংবিধি কিতাপ লাহে লাহে পৰিৱৰ্তনশীল কাম কৰাৰ উপায় হৈ উঠিব নোৱাৰে।

এচচি, এচটি আৰু ওবিচি সকলৰ চেতনাত তৈয়াৰ হোৱা এই ধৰনৰ বেদনাদায়ক শূন্যতা পূৰণৰ আৰু তেওঁলোক নিজকেই হীন ভবাৰ সাধাৰণ অভ্যাসগত জখমত শীতল মলম লগোৱাৰ কামটো আৰম্ভ হৈছিল চতুৰ্দশ শতাব্দীত মানবতাৰ দয়া (ইছলাম) নামৰ পৰিচিত এক মসিহা হিৰাৰ গহ্বৰৰ পৰা। তেখেত মানবতাক চূড়ান্ত দৰৱ দি আঘাতপ্ৰাপ্ত মনৰ যন্ত্ৰণাৰ উপশম কৰে আৰু দয়ালু হাতেৰে আঘাতপ্ৰাপ্ত আধ্যাত্মিক শূন্যস্থান বিলাক পূৰণ কৰে। তেখেত দাসত্বদূৰীকৰণৰ ঘোষণা কৰে। তেখেত সামাজিক আলাপ-আলোচনাৰ প্ৰাণকেন্দ্ৰ হিচাবে সাম্য প্ৰচাৰ কৰে। তেন্তে কিয় আমি বিপ্লৱ আনিব নোৱাৰিলো? কিয় আমি নাগৰিসকলক উত্সাহিত কৰিব নোৱাৰিলো? ইয়াৰ বাবে কিয় আমি ঈশ্বৰপ্ৰদত্ত দৰৱ ব্যৱহাৰ নকৰিলো? কিয় আমি আল্লামা ইকবালৰ ভবিষ্যত্বাণীকে সত্য প্ৰমাণ কৰাৰ চেষ্টা নকৰিলো:

নিকালকে চাহাৰা চে জিচনে ৰোমান কি চুলতানাত কো পলট দিয়া থা,

শুনা হায় ইয়ে কুৰচিয়োঁ চে মেয়নে ৱ’ চেৰ ফিৰ হোচিয়াৰ হোগা।

স্বৰ্গীয় কণ্ঠ কৈ উঠিল যে মৰুভূমিৰ পৰা ওলাই আহি যিটো সিংহই ৰোমান সাম্ৰাজ্যক নাস্তানাবুদ কৰি দিলে, সেইটোয়েই আকৌ নিজকে সাঁজু কৰিব।

মৌলিক ইছলামি উপদেশক আমাৰ সঠিকভাবে উপলব্ধি আৰু তাৰ সঠিক মূল্যায়ন কৰিব লাগিব আৰু প্ৰকৃতপক্ষে এইটোয়েই অভ্যাসত পৰিণত কৰিব লাগিব। এই গুৰুত্বপূৰ্ণ বিষয়ক লৈ আমি অনুসূচিত জাতিৰ নেতা উদিত ৰাজৰ সৈতে বিতংকৈ কথা পাতিছো। আমাৰ ফালৰ পৰা সন্তোষজনক কথা হ’ল যে তেখেত আমাক কয় যে বিচাৰপতি মিশ্ৰ কমিচন আৰু সাচাৰ কমিটিৰ সৈতে তেখেতও সন্মত যে 1950 চনৰ অনুসূচিত জাতিৰ বিষয়ে ৰাষ্ট্ৰপতিৰ আদেশৰ অপ্ৰীতিকৰ তৃতীয় অনুচ্ছেদ বাদ দিয়াটো উচিত আৰু অনুসূচিত জাতিৰ সংজ্ঞাৰ পৰাও নিৰ্দিষ্ট ধৰ্মীয় আনুগত্যৰ চৰ্তও বিলোপ কৰা উচিত। তেখেত অবশ্যে লিখিতভাবেই তেওঁৰ মতামত আমাক

জনাইছে। তেতিয়াহলে আমি মুছলিমসকল কিয় 65 বছৰৰ পুৰণিকলীয়া এই ধৰ্মীয় পক্ষপাতক সমূলে ধ্বংস কৰিবৰ দাবি নুতুলিম। এই বিষয়টো লৈ আমি খ্ৰীষ্টান আৰু অনুসূচিত উপজাতি নেতাসকলৰ সৈতেও কথা পাতিছো। তেওঁলোকেও 65 বছৰৰ পৰা চলি অহা ধৰ্মৰ ভিত্তিত এই প্ৰবঞ্চনাৰ বিষয়ে মুছলিমসকলৰ সৈতে একমত আৰু তেওঁলোকেও মনে প্ৰাণেৰে এই প্ৰচাৰক সমৰ্থন কৰে। 1950 চনৰ প্ৰশাসনিক নিৰ্দেশৰ পৰা যদি তৃতীয় অনুচ্ছেদটো বাদ দিয়া হয় তেতিয়া হলে মুছলিম আৰু খ্ৰীষ্টান নাপিত, কমাৰ আৰু মুচিয়াৰৰ একেটাই সাংবিধানিক প্ৰাপ্তি আৰু অধিকাৰ থাকিব যিটো হিন্দু/শিখ/বৌদ্ধ নাপিত, কমাৰ আৰু মুচিয়াৰ সকলে যোৱা 65 বছৰৰ পৰা ভোগ কৰি আহিছে। ইয়াৰ অৰ্থ হ'ল, সংসদ, বিধানসভা, জিলা/তালুকা পৰিষদ, পঞ্চায়ত সমিতি আৰু গাঁৱ পঞ্চায়তত তেওঁলোকৰ হকে নিৰ্দিষ্ট আসনৰ বাবেও তেওঁলোকে নিৰ্ব্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব আৰু নিৰ্ব্বাচিত হ'ব পাৰিব। আমলাতন্ত্ৰত তেওঁলোকৰ বাবে সংৰক্ষিত আসনৰ অধিকাৰ থাকিব, যাৰ বাবে প্ৰতি বছৰ ইউপিএচচি'ৰ পৰীক্ষাৰ মাধ্যমে চাকৰিৰ সুযোগ থাকিব। শিক্ষা প্ৰতিষ্ঠানত ভৰ্তিৰ ক্ষেত্ৰত সংৰক্ষিত আসনৰ অধিকাৰ তেওঁলোকৰ থাকিব।

ইয়াৰ বাবে, আমি ভাৰতৰ মুছলিমসকল, সম্পূৰ্ণকৈ ভাল আৰু সত্য মুছলিম হৈ উঠিব লাগিব। বিষয়বুদ্ধিসম্পন্ন বৈশিষ্ট্য মনেৰে এটা উপলব্ধিৰ বাবে চেতনাৰ বিকাশ ঘটাব লাগিব, যিটো বিচাৰৰ দিনা আল্লাৰ মুখামুখি হৈ এক সুদৃঢ় হৃদয় আৰু চিৰন্তন পুৰস্কৃত মন প্ৰস্তুত কৰিব পাৰিব। মানৱ জাতিৰ উন্নয়নৰ বাবে আমাৰ সবাতোকৈ ভালটো প্ৰদান কৰিব লাগিব। সামগ্ৰিক মানৱ সাম্যৰ প্ৰচাৰৰ পৰিপ্ৰেক্ষিতত সম্পূৰ্ণভাবে আৰু উত্সাহেৰে ঈশ্বৰীয় ন্যায়ক ৰূপায়ন কৰি আমি প্ৰেমৰ হাত আগবঢ়াই দিব পাৰিম, বিশেষকৈ আমাৰ এচচি আৰু ওবিচি ভাইসকলকলৈ, শতাব্দীৰ পিছত শতাব্দী জুৰি তেওঁলোকৰ আঘাতৰ অনুভূতিৰ উপশম ঘটাব পাৰিম আৰু প্ৰেমেৰ জৰিয়তে মানুহ হিচাবে তেওঁলোকৰ মৰ্যদা উভতাই আনিব পাৰিম। এইদৰেই আমি হাতত হাত থৈ আগুৱাই যাব পাৰিম। তাৰপিছত আমাৰ সম্মিলীত নিৰ্ব্বাচনী শক্তি (আনকি জনগণনাৰ হিচাবত) নিৰ্ব্বাচনী মঞ্চত আমি নিজকে মস্ত আকাৰত তুলি ধৰিব পাৰিম। এইদৰেই, আমি এচচি, এচটি আৰু ওবিচি-ক মূল্য দিব লাগিব, তেওঁলোকক গ্ৰহণ কৰিব লাগিব, তেওঁলোকক সন্মান দিব লাগিব আৰু পবিত্ৰ কোৰানত আল্লাই যিদৰে কৈছে ঠিক সেইদৰেই তেওঁলোকৰ সৈতে জুটীয়াকৈ কৌশল স্থিৰ কৰিব লাগিব।

লেখক জাকাত ফাউণ্ডেশন অফ ইণ্ডিয়াৰ সভাপতি। ই-মেইল:

info@zakatindia.org